# 2022

( Held in 2023 )

# ASSAMESE

Paper : ASMHC1016

**( History of Assamese Literature )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা : ১×৬=৬

(ক) কমলা কুঁৱৰীৰ গীত তলৰ কোনটো শ্ৰেণীৰ অন্তৰ্গত?

*(i)* বুৰঞ্জীমূলক

*(ii)* জনশ্ৰুতিমূলক

*(iii)* কাল্পনিক

*(iv)* বিবিধ বিষয়ক

(খ) 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যখন কোনে ৰচনা কৰিছিল?

*(i)* হৰিবৰ বিপ্ৰ

*(ii)* ৰুদ্ৰ কন্দলী

*(iii)* হেম সৰস্বতী

*(iv)* কবি ৰত্ন সৰস্বতী

(গ) শংকৰদেৱে ৰচনা কৰা একমাত্ৰ সংস্কৃত গ্ৰন্থখনৰ নাম কি?

*(i)* 'ভক্তি প্ৰদীপ'

*(ii)* 'ভক্তি ৰত্নাকৰ'

*(iii)* 'হৰিশ্চন্দ্ৰ উপাখ্যান'

*(iv)* 'অমৃত মথন'

(ঘ) শ্ৰীধৰ কন্দলীৰ এখন প্ৰসিদ্ধ গ্ৰন্থৰ নাম কি?

*(i)* 'কাণখোৱা'

*(ii)* 'ভীম চৰিত'

*(iii)* 'কুমৰ হৰণ'

*(iv)* 'ৰাজসূয়'

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাই লিখা উপন্যাসখনৰ নাম কি?

*(i)* 'ভানুমতী'

*(ii)* 'পদুম কুঁৱৰী'

*(iii)* 'লাহৰী'

*(iv)* 'মিৰিজীয়ৰী'

(চ) 'সোণাৰ চাঁদ' কাৰ ছদ্মনাম?

*(i)* আনন্দৰাম ঢেকিয়াল ফুকন

*(ii)* গুণাভিৰাম বৰুৱা

*(iii)* হেমচন্দ্ৰ বৰুৱা

*(iv)* আত্মৰাম শৰ্মা





২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) অসমীয়া গদ্য-সাহিত্যৰ জনক কোন? তেওঁ ৰচিত এখন গ্ৰন্থৰ নাম লিখা।

(খ) হৃবিবৰ বিপ্ৰৰ দুখন কাব্যৰ নাম লিখা।

(গ) গদ্যত লিখা দুখন চৰিত-পুথিৰ নাম উল্লেখ কৰা।

(ঘ) প্ৰাক্ অৰুণোদই যুগৰ দুগৰাকী লেখকৰ নাম লিখা।

(ঙ) অসমীয়া ভাষাৰ প্ৰথম চনেট কবিতাটিৰ নাম লিখি কবিগৰাকীৰ নাম উল্লেখ কৰা।

৩। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো ছয়টা) : ৫×৬=৩০

(ক) জিকিৰ আৰু জাৰী সম্বন্ধে এটি পৰিচয়মূলক টোকা লিখা।

(খ) পাঁচালী সাহিত্যৰ বিষয়ে চমুকৈ লিখা।

(গ) মাধৱদেৱৰ 'নামঘোষা' সন্দৰ্ভত এটি চমু টোকা লিখা।

(ঘ) বৰগীতৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা।

(ঙ) বধকাব্য সম্পৰ্কে এটি পৰিচয়মূলক টোকা লিখা।

(চ) অসমীয়া বুৰঞ্জী-সাহিত্যৰ বিষয়ে এটি চমু টোকা যুগুত কৰা।

(ছ) অসমীয়া সাহিত্যলৈ হেমচন্দ্ৰ বৰুৱাৰ অৱদান সম্পৰ্কে চমুকৈ লিখা।

(জ) নলিনীবালা দেৱীৰ কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে চমুকৈ লিখা।

(ঝ) ৰামধেনু যুগৰ গল্পৰ সাধাৰণ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) শংকৰদেৱৰ নাট্যপ্ৰতিভা সন্দৰ্ভত এটি প্ৰবন্ধ যুগুত কৰা।

(খ) অসমীয়া ভাষা-সাহিত্য বিকাশত অৰুণোদই কাকতৰ অৱদান সম্পৰ্কে লিখা।

(গ) আৱাহন যুগৰ গল্প-লেখক হিচাপে নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্প সন্দৰ্ভত এটি আলোচনা যুগুত কৰা।

৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ১৪

(ক) লোক-সাহিত্য কাক বোলে? অসমীয়া লোক-সাহিত্যৰ অন্তৰ্গত আখ্যানমূলক গীতসমূহৰ বিষয়ে বহলাই আলোচনা কৰা।

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যকৃতি সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

★★★